# আমাৰ পূৰ্বপুৰুষসকললৈ সুখ অনা



## দাজী

পূজ্য শ্ৰী লালাজী মহাৰাজৰ

১৫৩ তম জন্ম বাৰ্ষিকী উপলক্ষে বাৰ্তা

২২, ২৩ আৰু ২৪ জানুৱাৰী, ২০২৬, কান্হা শান্তি বন



# আমাৰ পূৰ্বপুৰুষসকললৈ সুখ অনা

প্ৰিয়জন,

প্ৰত্যেক বছৰ বসন্ত পঞ্চমী আহিলেই মোৰ অন্তৰত কিবা এটা ঘটে যিটো মই সম্পূৰ্ণকৈ ব্যাখ্যা কৰিব নোৱাৰোঁ। হালধীয়া ফুল, বতাহত মৃদু উষ্মা, আৰু বসন্তৰ প্ৰস্ফুটিত পুষ্পবোৰে নৱীকৰণ হোৱাৰ বাৰ্তা আনে। কিন্তু এই পথত খোজ দিয়া আমাৰ সকলোৰে কাৰণে এই দিনটোৱে এটা সুবাস বহন কৰে যিটোৱে এই ঋতুক অতিক্ৰমণ কৰে, কাৰণ এই দিনটোতেই দিব্য আভা পৃথিৱীলৈ নামি আহিছিল।

১৮৭৩ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে এজন বিশেষ ব্যক্তিত্বধাৰীয়ে জন্ম গ্ৰহণ কৰিছিল, যিজনে মানুহৰ আধ্যাত্মিক অভিজ্ঞতাৰ পথ চিৰকালৰ কাৰণে সলনি কৰিছিল। সেই সময়ত পৃথিৱীয়ে জনা নাছিল। ই কেনেকৈ হ'ব পাৰে? মহান আত্মা আড়ম্বৰশূন্যভাৱে সাধাৰণ মানুহৰ ভেশত নীৰৱে আৱিৰ্ভাব হয়। কিন্তু প্ৰকৃতিয়ে জানিছিল, আৰু সেই দিনটোতেই প্ৰকৃতিয়ে এটা নীৰৱ প্ৰতিজ্ঞা কৰিছিল।

শিশুটিৰ মাতৃ এগৰাকী সন্ত মহিলা আছিল আৰু তেওঁৰ অন্তৰ ভক্তিৰে পৰিপূৰ্ণ আছিল। এবাৰ এজন অৱধুত তেওঁৰ ঘৰলৈ আহাৰ বিচাৰি আহিছিল। অৱধুতজনে

আহাৰত মাছ বিচাৰিছিল, কিন্তু মহিলাগৰাকীয়ে মাছ নাখাইছিল আৰু মাছৰ ব্যঞ্জন ৰন্ধাও নাছিল। দৈব কৃপাত বন কৰা ছোৱালীজনীয়ে বৰ সতৰ্কতাৰে প্ৰতিবেশীৰ ঘৰৰ পৰা দুটুকুৰা মাছ আনি অৱধুতজনক দিছিল। সন্তজনে আহাৰ খোৱা শেষ কৰি মহিলাগৰাকীক সুধিলে, “তোমাৰ মনত কি বিষণ্ণতা আছে?”। মহিলাগৰাকী মনে মনে থাকিল, কিন্তু বন কৰা ছোৱালীজনীয়ে উত্তৰ দিলে, “মোৰ শ্ৰদ্ধাৰ বাইদেউৰ এটি সন্তানৰ বাহিৰে সকলো আছে।”

“অ!” সন্তজনে ক’লে, নীল আকাশলৈ দৃষ্টি দি কেই মুহূৰ্তমানৰ পিছত তেওঁ স্বৰ্গৰ ফালে দুটা আঙুলি ওপৰ কৰি কৈ উঠিল, “এক…দুই…এক…দুই…” আৰু তেওঁ অদৃশ্য হৈ গ’ল। তেওঁক আৰু পিছত কেতিয়াও দেখা পোৱা নগ’ল।

তাৰ পিছৰ বছৰত ১৮৭৩ চনৰ বসন্ত পঞ্চমীত প্ৰথম সন্তান জন্ম হৈছিল, আৰু তেওঁ ফাটেহগড়ৰ ৰাম চন্দ্ৰ, যিজন লালাজী নামেৰে জ্ঞাত।

এই বিশেষ ব্যক্তিত্বধাৰীৰ বিষয়ে ইতিমধ্যে কোৱা কথাৰ বাহিৰে মই কি ক’ব পাৰোঁ? কবিসকলে চেষ্টা কৰিছিল, শাস্ত্ৰসমূহে এনে ব্যক্তিসকলক উনুকিয়াই আহিছে, আৰু টেনিচনে কোৱা এই কথাটোৱে কেৱল তেওঁকেই বুজুৱা যেন লাগে:

*Thou seemeth human and divine,*
*The highest, holiest, manhood thou.*

তোমাক মানৱীয় আৰু দিব্য যেন লাগে,
সৰ্বোচ্চ, পবিত্ৰতম, পুৰুষত্ব তুমি।

যুৱ অৱস্থাতে মাত্ৰ সাত মাহ সময়তে অগণন জীৱনৰ মাজেদিও সাধন কৰিব নোৱাৰা আধ্যাত্মিক স্থিতি তেওঁ অৰ্জন কৰিছিল। দিব্য আভা এটা দূৰৱৰ্তী লক্ষ্য

ৰূপে তেওঁৰ মাজত উদয় হোৱা নাছিল, এইটো তেওঁৰ মাজত স্বাভাৱিক ৰূপত বিৰাজ কৰিছিল। তেওঁ এইটো বিচৰা নাছিল, তেওঁ এইটোৱেই আছিল।

লালাজীৰ জড়িয়তে মানৱজাতিৰ পাহৰণিৰ গৰ্ভত থকা এটা ঐতিহ্য - প্ৰাণাহুতিৰ পবিত্ৰ বিজ্ঞানসন্মত কৌশল পুনৰুজ্জীৱিত হৈছিল যিটো জীৱন সত্তা অৰ্থাৎ প্ৰাণস্য প্ৰাণৰ ট্ৰেনচমিছন অৰ্থাৎ সঞ্চাৰ বুলিও জ্ঞাত। পূজ্য ঋষভ দেৱজী মহাৰাজে অযোধ্যাৰ প্ৰভু ৰামচন্দ্ৰজীৰ বাসত্তৰ প্ৰজন্মৰ আগতে প্ৰথমতে এই গম্ভীৰ জ্ঞানৰ সূচনা কৰিছিল। তেখেতে জীৱনৰ মূলসত্তা সঞ্চাৰ কৰাৰ এই সূক্ষ্ম কলা উন্মোচিত কৰিছিল।

দিব্য সঞ্চাৰৰ মাজেদি উচ্চতৰ ক্ষেত্ৰবোৰলৈ চেতনাৰ দ্বাৰ উন্মুক্ত হয়। প্ৰত্যাশীসকলে সন্যাসীৰ জীৱনলৈ নগৈ আন্তৰিকভাৱে পৰম সত্তাৰ সৈতে এক হৈ গাৰ্হস্থ্য জীৱনৰ মাজেদি ভৌতিক আৰু আধ্যাত্মিক দুয়োটা দিশতে নিজৰ কৰ্তব্যৰ মাজত এক সংহতিপূৰ্ণ সমন্বয়ৰে ব্ৰহ্মবিদ্যালৈ প্ৰৱেশ লাভ কৰে। দিব্য সঞ্চাৰৰ এই প্ৰাণৱন্ত প্ৰবাহে এজন প্ৰত্যাশীক নিষ্ঠাপূৰ্বক দৈনন্দিন সাধনাৰ মাজেদি সমাধিৰ অৱস্থাবোৰলৈ ক্ষিপ্ৰতাৰে লৈ যায়।

তথাপিতো, মানৱ ইতিহাস বাগৰাৰ লগে লগে এই বহুমূল্য বিজ্ঞান মানুহৰ চেতন সজাগতাৰ পৰা লাহে লাহে ম্লান হ'বলৈ ধৰিলে আৰু অৱশেষত ই লুপ্ত হৈ পৰিল।



**দিব্য সঞ্চাৰৰ মাজেদি উচ্চতৰ ক্ষেত্ৰবোৰলৈ চেতনাৰ দ্বাৰ উন্মুক্ত হয়। প্ৰত্যাশীসকলে সন্যাসীৰ জীৱনলৈ নগৈ আন্তৰিকভাৱে পৰম সত্তাৰ সৈতে এক হৈ গাৰ্হস্থ্য জীৱনৰ মাজেদি ভৌতিক আৰু আধ্যাত্মিক দুয়োটা দিশতে নিজৰ কৰ্তব্যৰ মাজত এক সংহতিপূৰ্ণ সমন্বয়ৰে ব্ৰহ্মবিদ্যালৈ প্ৰৱেশ লাভ কৰে।**

নিয়তিয়ে হস্তক্ষেপ নকৰালৈকে ই সুপ্ত হৈয়ে থাকিল, আৰু লালাজী মহাৰাজে পুনৰুদ্ধাৰ কৰি পবিত্ৰ সত্তাৰ প্ৰবাহ পুনৰুজ্জীৱিতকৰণৰ জড়িয়তে মানৱজাতিৰ মাজত উচ্চতম স্থিতিলৈ এটা প্ৰত্যক্ষ আৰু জীৱন্ত পথ প্ৰতিষ্ঠা কৰিছিল। এইটো লালাজীৰ উপহাৰ আছিল: ই কেৱল দৰ্শন আৰু শিক্ষাই নহয়, ই হৃদয়ৰ পৰা হৃদয়লৈ প্ৰাণাহুতিৰ প্ৰকৃত সঞ্চাৰ।

আৰু তাৰ পিছত শিষ্য আহিল।

শ্বাহজাহাঁপূৰত ৰাম চন্দ্ৰ (বাবুজী )নামেৰে এজন যুৱকে ফাটেহগড়ৰ এই সন্ত জনৰ বিষয়ে শুনিছিল। লালাজীৰ কথা গম পাওঁতেই তেওঁৰ মাজত কিবা এটা আলোড়ন হৈছিল আৰু তেওঁ লালাজীক লগ পাবলৈ যাত্ৰা কৰিছিল। ১৯২২ চনৰ ৩ জুনৰ প্ৰথম সাক্ষাততেই তেওঁৰ জীৱন চিৰদিনৰ কাৰণে সলনি হৈ পৰিছিল।

পিছত তেওঁ লিখিছিল: "যেতিয়া মই মোৰ গুৰুদেৱৰ ওচৰলৈ আহিছিলোঁ, মই এনে এটা মনৰ অৱস্থা পাইছিলোঁ যিটোৰ কোনো তুলনা নাই। সেই মুহূৰ্তত মই পোৱা নিবিড় আন্তৰিক উল্লাস মই সঠিকভাৱে বৰ্ণনা কৰিব নোৱাৰোঁ। সেই দিনটোৰ পৰাই মই এটা নতুন জীৱন পাৰ কৰিবলৈ আৰম্ভ কৰিলোঁ, সকলোবোৰ সলনি হোৱা যেন হ'ল। পৃথিৱীখন সলনি হৈ পৰিল।

আৰু তেনেকৈয়ে এটা প্ৰেম কাহিনী আৰম্ভ হ'ল যিটোৱে আধ্যাত্মিক ইতিহাসত আন সকলোবোৰ অতিক্ৰম কৰিলে। মই এই কথাখিনি গুৰুত্ব নথকাকৈ ব্যৱহাৰ কৰা নাই, কাৰণ লালাজী আৰু তেওঁৰ শিষ্যৰ মাজত যি উন্মোচিত হৈছিল সেইটো সাধাৰণ স্তৰৰ ভক্তিভাব নাছিল। এইটো এজন ছাত্ৰই শিক্ষাগুৰুৰ প্ৰতি থকা শ্ৰদ্ধাতকৈ বহুত অধিক আছিল। এনেকুৱা কিবা এটা যাৰ কাৰণে ভাষা নাই, যিটোৱে আনকি স্বৰ্গলোকত থকা সকলকো বিস্ময়ত সচকিত কৰি তুলিছিল।

**মই এই কথাখিনি গুৰুত্ব নথকাকৈ ব্যৱহাৰ কৰা নাই, কাৰণ লালাজী আৰু তেওঁৰ শিষ্যৰ মাজত যি উন্মোচিত হৈছিল সেইটো সাধাৰণ স্তৰৰ ভক্তিভাব নাছিল। এইটো এজন ছাত্ৰই শিক্ষাগুৰুৰ প্ৰতি থকা শ্ৰদ্ধাতকৈ বহুত অধিক আছিল। এনেকুৱা কিবা এটা যাৰ কাৰণে ভাষা নাই, যিটোৱে আনকি স্বৰ্গলোকত থকা সকলকো বিস্ময়ত সচকিত কৰি তুলিছিল।**

অন্য ক'ৰবাত, তেওঁ স্বীকাৰ কৰিছিল যে তেওঁ লালাজীৰ অবিহনে এটা মুহূৰ্তৰ কাৰণেও বৰ্তি থাকিব নোৱাৰিছিল। তেওঁ শাৰীৰিক লালাজীৰ কথা কোৱা নাই, যিজনে কেইবা দশকৰ পূৰ্বে পৰলোকলৈ প্ৰস্থান কৰিছিল, কিন্তু সেই লালাজীৰ কথা কৈছিল যিজন তেওঁৰ প্ৰতিটো শ্বাস, প্ৰাণস্য প্ৰাণ, জীৱনৰ প্ৰাণসত্তা হৈ পৰিছিল।

মই আপোনালোকৰ আগত কিবা এটা ক'ব বিচাৰিছোঁ যিটো মই প্ৰত্যেকবাৰ পঢ়িলেই মোক অশ্ৰুসিক্ত কৰি তোলে।

লালাজীৰ শ্ৰুতলিপিবোৰত বাবুজীৰ বিষয়ে এটা উক্তি আছে যিটোৱে মোক বিস্ময়ত নীৰৱ কৰি তোলে। লালাজীয়ে লক্ষ্য কৰিছিল যে বাবুজীয়ে তেওঁৰ পত্নীৰ সৈতে থকা অতি পবিত্ৰ মুহূৰ্তবোৰতো আনকি এটাও শ্বাসত হৃদয়ত নিজৰ গুৰুক এৰি দিয়া নাছিল। বাবুজীৰ সাংসাৰিক জীৱনৰ প্ৰতিটো পৰিস্থিতিতে তেওঁলোকৰ মাজৰ সংযোগ অবিচ্ছিন্ন হৈ আছিল।

এইটো আচল অৰ্থাৎ ব্ৰহ্মচৰ্য: সাংসাৰিক জীৱন নথকাটো নহয়, কিন্তু সেই জীৱনৰ মাজত নিৰন্তৰ স্মৰণ বিদ্যমান থকাটোহে মূল কথা। আনকি তেওঁৰ শৰীৰ সাংসাৰিক কাৰ্যত লিপ্ত থাকিলেও বাবুজীৰ মনোদৃষ্টি উচ্চতৰ সত্তাত সদায় নিবিষ্ট আছিল।

কেনেকুৱা প্ৰেমে এই স্মৰণ বজাই ৰাখে? কেনেকুৱা ভক্তিয়ে এই নিৰন্তৰ অৱস্থা ৰক্ষা কৰিব পাৰে?

মই এতিয়া আপোনালোকক কিবা এটা অনন্য কথা ক'ম।

১৯৪৫ চনৰ ২১ মাৰ্চৰ দিব্য লোকৰ বাৰ্তাত লিপিভুক্ত এটা পাৰস্পৰিক ভাব বিনিময়ত উদ্ধৃত কথা এটা সোণালী আখৰেৰে লিপিবদ্ধ কৰা উচিত। প্ৰথমতে, আত্মাবোৰৰ মাজত সিংহপুৰুষ স্বামী বিবেকানন্দই বাবুজীৰ প্ৰতি লালাজীৰ প্ৰেমৰ বিষয়ে কৈছিল, আৰু পিছত ভগৱান কৃষ্ণই লালাজীৰ প্ৰতি বাবুজীৰ প্ৰেমৰ বিষয়ে কৈছিল।

স্বামী বিবেকানন্দই কৈছিল, “লালাজীয়ে তোমাৰ প্ৰতি থকা তেওঁৰ প্ৰেমৰ বিষয়ে যিয়েই কৈছে ই এটা নগ্ন সত্য। তেওঁ তোমাৰ প্ৰেমত দগ্ধ। মই মোৰ গোটেই জীৱনত ক'তো এনেকুৱা প্ৰেমৰ উদাহৰণ পোৱা নাই।” তাৰ পিছত তেওঁ কৈছিল, “মানুহে ঈশ্বৰৰ কাৰণে তেওঁলোকৰ গৃহ ত্যাগ কৰে: তেওঁ তোমাৰ কাৰণে তেওঁৰ গৃহ ত্যাগ কৰিলে। এটা মুক্তিপ্ৰাপ্ত আত্মাৰ পৰা আশা কৰা সেইটোৱেই অতিশয় মহত্বপূৰ্ণ ত্যাগ,” যিটোৱে লালাজীক হস্তক্ষেপ কৰিবলৈ আৰু বাবুজীক সেই বাৰ্তা বিনিময় তেওঁৰ ডায়েৰীত লিপিভুক্ত নকৰিবলৈ প্ৰেৰিত কৰিছিল।

লালাজীয়ে তেওঁৰ শিষ্য বাবুজীৰ কাৰণে তেওঁৰ ভাণ্ডাৰ, তেওঁৰ স্বৰ্গীয় নিবাস এৰি দিছিল। ছাত্ৰৰ কাৰণে গুৰুৰ অৱতৰণ হৈছিল, স্বৰ্গ পৃথিৱীৰ ফালে এঢলীয়া হৈ পৰিছিল।

আৰু তাৰ পিছত ভগৱান কৃষ্ণই কৈছিল, আৰু তেওঁৰ কোৱা কথা মই এতিয়া লিখি থাকোঁতেও মোৰ হাত কম্পমান হৈ পৰিছে: “স্বামী বিবেকানন্দই যি কৈছিল সেইটো আক্ষৰিকভাৱে সত্য, আৰু সেইটো লিখাত কোনো অপকাৰ নাই যে

প্ৰেমৰ বিষয়ত এতিয়া তুমি আনকি ৰাধাকো চেৰ পেলালা... ৰাধাৰ প্ৰেম এতিয়া তোমাৰ পিছত আহে।”

ই কি বুজাইছে আপুনি বুজিব পাৰিছেনে? কৃষ্ণৰ প্ৰতি ৰাধাৰ প্ৰেম সহস্ৰ বছৰৰ মাজেদি ভক্তিৰ উচ্চতম নিদৰ্শন বুলি সমাদৃত হৈ আহিছে। ৰাধাৰ মাত্ৰ নামটোৱেই দিব্য প্ৰেমৰ সমাৰ্থক হৈ পৰে, তথাপিতো ভগৱান কৃষ্ণই ঘোষণা কৰিছে যে লালাজীৰ প্ৰতি বাবুজীৰ প্ৰেমে আনকি ৰাধাৰ প্ৰেমকো চেৰ পেলালে।

কিন্তু কাহিনী ইয়াতে শেষ নহয়। তিনি দিনৰ পিছত সমগ্ৰ সৃষ্টিত কোনো নজিৰ নথকাকৈ ই শীৰ্ষ বিন্দু অধিকাৰ কৰিলে।

১৯৪৫ চনৰ ২৪ মাৰ্চৰ শুভ দিনটোত লালাজীয়ে বাবুজীক প্ৰত্যক্ষৰূপে পৰম ঐশ্বৰীয় সত্তাত দীক্ষা দিয়াৰ ব্যৱস্থা কৰিলে। এই ঘটনাটোৰ সাক্ষী হৈ ভগৱান কৃষ্ণই ঘোষণা কৰিলে, “এইটো এটা অতি শুভ দিন যে তোমাৰ পূজ্য গুৰুৱে তোমাক প্ৰত্যক্ষ ৰূপত পৰম ঐশ্বৰীয় সত্তাত দীক্ষা দিলে। এইটোৱেই প্ৰকৃত দীক্ষা বুলি জ্ঞাত। সৃষ্টিৰ আৰম্ভণিৰ পৰা এইটোৱেই এনে ধৰণৰ প্ৰথম উদাহৰণ।”

স্বামী বিবেকানন্দই ইয়াতে সংযোগ কৰিছিল, “তোমাৰ পৰম ঐশ্বৰীয় সত্তাৰ পৰা প্ৰত্যক্ষভাবে লাভ কৰা দীক্ষাৰ বাতৰি পাই মই আনন্দত বিভোৰ হৈ পৰিছোঁ। এই বিশ্বৰ আৰম্ভণিৰ পৰা এইটোৱেই প্ৰথম উদাহৰণ।”

এতিয়া, সাময়িকভাবে বিৰতি লওক আৰু কিবা এটা বিচাৰ কৰক যিটোৱে মোৰ হৃদয় বিস্ময়ৰ সৈতে পীড়াগ্ৰস্ত কৰিছে।

এই পৰম ঘটনাটোৰ পিছত লালাজীয়ে এটা নীৰৱ উক্তি কৰিছিল যিটোৱে তেওঁৰ স্বাৰ্থশূন্যতাৰ গভীৰতা প্ৰকাশ কৰে। তেওঁ কৈছিল, “প্ৰত্যক্ষ দীক্ষা সম্পূৰ্ণৰূপে

মোৰ পদ্ধতি। ইয়াৰ আগতে ই কাৰো বোধগম্য হোৱা নাছিল, কাৰ্যত ইয়াক ব্যৱহাৰো কৰা নাছিল।”



**এই পৰম ঘটনাটোৰ পিছত লালাজীয়ে এটা নীৰৱ উক্তি কৰিছিল যিটোৱে তেওঁৰ স্বাৰ্থশূন্যতাৰ গভীৰতা প্ৰকাশ কৰে। তেওঁ কৈছিল, “প্ৰত্যক্ষ দীক্ষা সম্পূৰ্ণৰূপে মোৰ পদ্ধতি। ইয়াৰ আগতে ই কাৰো বোধগম্য হোৱা নাছিল, কাৰ্যত ইয়াক ব্যৱহাৰো কৰা নাছিল।”**

ই কি বুজাইছে আপুনি ধৰিব পাৰিছেনে? লালাজীয়ে পদ্ধতিটো জানিছিল কাৰণ এইটো তেওঁৰ নিজৰ উদ্ভাৱন আছিল। ইয়াৰ আগতে কোনো আত্মাধাৰীয়েই কেতিয়াও বোধগম্য কৰিব নোৱাৰা পদ্ধতিটো তেওঁ নিজৰ জীৱনকালত বোধগম্য কৰিছিল: পৰম ঈশ্বৰৰ সৈতে প্ৰত্যক্ষ দীক্ষাৰ সম্ভাৱ্যতা। তেওঁ এইটো নিজৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন, কিন্তু তেওঁ সেইটো নকৰিছিল। তেওঁ এই পৰম ৰহস্যটো নিজৰ মাজত ৰাখি থৈছিল আৰু নিজৰ প্ৰিয় শিষ্যজন এনে এটা উপহাৰ গ্ৰহণ কৰিব পৰা অৱস্থালৈ অহালৈকে অপেক্ষা কৰিছিল। যেতিয়া বাবুজী সেই উদ্বীপ্ত অৱস্থাত আহি পাইছিল, লালাজীয়ে পদ্ধতিটো তেওঁৰ শিষ্যৰ কাৰণে ব্যৱহাৰ কৰিছিল।

গুৰুজনে নিজে যিটো কেতিয়াও নলৈছিল সেইটো ছাত্ৰজনক দি তেওঁক প্ৰাথমিকতা দিছিল। এনেকুৱা প্ৰেম যুক্তিৰ উৰ্ধত, এইটো আনকি বোধকৰো পিতৃ মাতৃয়ে নিজৰ সন্তানৰ কাৰণে কৰা ত্যাগতকৈয়ো, অথবা প্ৰেমিক এজনে প্ৰিয়তমাক সকলো এৰি দিয়াতকৈয়ো অধিক। ইয়াত গুৰুজনে অন্তিম আধ্যাত্মিক উপহাৰ উদ্ভাৱন কৰিছিল আৰু তেওঁৰ শিষ্যজনক দি নিজে পিছত থাকি সন্তোষ লভিছিল, নিজে নিবিচৰা উচ্চতালৈ তেওঁৰ শিষ্যক আৰোহণ কৰা প্ৰত্যক্ষ কৰি সন্তোষ লভিছিল।

আৰু এই পৰম উপহাৰ উৎসৰ্গা কৰি লালাজীয়ে নিজৰ বিষয়ে কি কয়? তেওঁ পাৰ্চী দোহাৰ উদ্ধৃতি দিছিল: “সহস্ৰ দাসৰ গুৰু ৰজা মহমুদ গজনৱী ইমান বেছিকৈ দাৰিদ্ৰৰ মাজত কোঙা হৈছিল যে তেওঁ দাসৰো দাসৰ অৱস্থালৈ অধোগামী হৈছিল।” আৰু লালাজীয়ে সৰলতাৰে কৈছিল, “এইটো মোৰ অৱস্থা।”

গুৰুসকলৰ গুৰুজনে, লুপ্তপ্ৰায় হোৱা প্ৰাণাহুতিক পুনৰুজ্জীৱিত কৰা বিশেষ ব্যক্তিত্বধাৰীজনে, যাৰ মাজেদি সমগ্ৰ মানৱজাতিলৈ এই প্ৰাণাহুতি প্ৰবাহিত হয়, তেওঁ নিজকে “দাসৰো দাস” বুলি বৰ্ণনা কৰিছিল কাৰণ তেওঁ তেওঁৰ শিষ্যক নিজতকৈ অধিক মহত্বপূৰ্ণ কিবা দিছিল।

ইয়াতেই আমি গুৰু এজনৰ অনন্য প্ৰেমৰ সাক্ষী হৈছোঁ যিজনে নিজক অন্তিম ফলৰ পৰা দূৰৈত ৰাখিছিল যাতে শিষ্যজনে প্ৰথমতে ইয়াৰ স্বাদ ল’ব পাৰে। তেওঁৰ হৃদয় ইমান বিশাল আছিল যে যেতিয়া তেওঁ সৃষ্টিত মহত্বপূৰ্ণ ৰহস্যটো উদ্ভাৱন কৰিছিল, তেওঁ এইটো আনক দিছিল। কিন্তু এইটো ত্যাগ বুলি কোৱাটো এজন প্ৰকৃত গুৰুৰ হৃদয়ক ভুলকৈ বুজাহে হ’ব। সেই উপহাৰটো লালাজীৰ কাৰণে সৰ্বাধিক আনন্দৰ উৎস আছিল।

দৰাচলতে, এজন গুৰুৱে নিজৰ শিষ্যই তেওঁক চেৰ পেলাই যোৱাটো প্ৰত্যক্ষ কৰি আৰু শিষ্যক সৰ্বস্ব দিয়াৰ মাজেদি পূৰ্ণতা অনুভৱ লাভ কৰি সৰ্বোচ্চ আনন্দ লাভ কৰে। মাতৃ এগৰাকীয়ে তেওঁৰ সন্তানক খুৱাওঁতে ত্যাগ নকৰে। নদী এখনে সমুদ্ৰত মিলি যাওঁতে ত্যাগ নকৰে। বাবুজীক পৰম ঈশ্বৰৰ পৰা প্ৰত্যক্ষ দীক্ষা



**দৰাচলতে, এজন গুৰুৱে নিজৰ শিষ্যই তেওঁক চেৰ পেলাই যোৱাটো প্ৰত্যক্ষ কৰি আৰু শিষ্যক সৰ্বস্ব দিয়াৰ মাজেদি পূৰ্ণতাৰ অনুভৱ লাভ কৰি সৰ্বোচ্চ আনন্দ লাভ কৰে।**

লাভ কৰা প্ৰথম ব্যক্তি হোৱাত সামৰ্থবান কৰি তোলাটো লালাজীৰ কাৰণে এটা সম্পূৰ্ণতা আৰু পৰম আনন্দৰ উৎস দুয়োটাই আছিল।

এইটোৱেই প্ৰেম। এইটোৱেই পথ। এইটোৱেই আমি বসন্ত পঞ্চমীত উদযাপন কৰোঁ।

লালাজীয়ে এবাৰ সাম্প্ৰতিক যুগৰ বিষয়ে কৈছিল, “বহুত দীৰ্ঘ কালৰ কাৰণে পুনৰ এই সময় নাহে। এই বিশেষ সময়ৰ কাৰণে এই প্ৰবাদটো প্ৰযোজ্য: ‘মজনুৱে অৰণ্যখনক নিজৰ ঘৰ কৰিলে, কিন্তু মই মোৰ ঘৰখনক অৰণ্যলৈ সলনি কৰিলোঁ।” কিংবদন্তি মজনুৱে সভ্যতা পৰিত্যাগ কৰি প্ৰেমত উন্মত্ত হৈ বনাঞ্চলত বিচৰণ কৰিছিল। ইয়াৰ বিপৰীতে গুৰু লালাজীয়ে তেওঁৰ স্বৰ্গীয় নিবাস তেওঁ শিষ্যৰ কাৰণে আন্তৰিক হাবিয়াসৰ অৰণ্যলৈ ৰূপান্তৰ কৰিছিল।

ভগৱান কৃষ্ণই বাবুজীৰ যোগত্যাৰ মাত্ৰাক সৰ্বোচ্চ শ্ৰেণী ‘অনুত্তৰা’ বুলি বৰ্ণনা কৰিছিল। তেওঁ কৈছিল, “বহুত বছৰ, কেইবা শতবৰ্ষ বা আনকি সহস্ৰ বছৰৰ পিছত হঠাতে এনেকুৱা যোগ্যতাৰ জন্ম হয়, যিটোৰ কোনো তুলনা নাই। এনেকুৱা যোগ্য ব্যক্তি ঈশ্বৰৰ আজ্ঞাবশতঃ জন্ম হয়। তুমি ইয়াৰ এটা উদাহৰণ।

লালাজীয়ে যেতিয়া ১৯৩১ চনত তেওঁৰ পাৰ্থিৱ শৰীৰ ত্যাগ কৰিছিল, বাবুজীয়ে লিখিছিল, “প্ৰকৃততে ক’বলৈ গ’লে মোৰ গুৰুদেৱৰ মৃত্যু হোৱা নাছিল, কিন্তু মই নিজে মৃত অনুভৱ কৰিছিলোঁ।” ইয়াৰ পিছত বহুত বছৰ তেওঁৰ ডায়েৰী প্ৰায় নীৰৱ হৈ আছিল। লালাজী জীয়াই থাকোঁতে ইমান অধিক লিপিবদ্ধ কৰা সফল শিষ্যজন এটা সুপ্ত দশাত প্ৰৱেশ কৰিছিল, সেই অন্ধকাৰত কিবা এটা অংকুৰিত হ’ব লগা হৈছিল।

তাৰ পিছত ১৯৪৪ চনত তেওঁলোকৰ মাজৰ ভাৱ বিনিময় পুনৰ প্ৰতিষ্ঠা হৈছিল। শাৰীৰিক মৃত্যুয়ে অন্ত পেলোৱা যেন লগা সম্পৰ্কটোৱে মাত্ৰ ইয়াৰ ৰূপহে সলনি

কৰিছিল। লালাজীয়ে মাৰ্গনিৰ্দেশনা দিয়া, প্ৰাণাহুতি সঞ্চাৰ কৰা আৰু প্ৰেম সকলো নিৰৱচ্ছিন্ন ৰাখিছিল। সম্পৰ্কৰ বান্ধোনে মৃত্যুক অতিক্ৰম কৰিছিল, প্ৰেমে শৰীৰক অতিক্ৰম কৰিছিল আৰু প্ৰাণাহুতি নিৰৱচ্ছিন্ন আছিল।

মই এই সকলো কথা বসন্ত পঞ্চমীত কিয় কৈছোঁ? এই কাৰণেই যে আপোনাক ক'লৈ প্ৰৱেশ দিয়া হৈছে সেইটো যাতে বুজিব পাৰে।

যেতিয়া আপুনি ধ্যানত বহে আৰু আপোনাৰ হৃদয়ত মৃদু আলোড়ন অনুভৱ কৰে, আপুনি লালাজী আৰু বাবুজীৰ মাজত প্ৰবাহিত হোৱা একেই প্ৰবাহ স্পৰ্শ কৰে। যেতিয়া আপুনি প্ৰাণাহুতি গ্ৰহণ কৰে, আপুনি গণনাতীত প্ৰজন্মৰ কাৰণে হেৰাই পৰাৰ পিছত মানৱজাতিৰ কাৰণে পুনৰুদ্ধাৰ কৰা উপহাৰ লাভ কৰে, আৰু যেতিয়া আপুনি নাম দিব নোৱাৰা কিবা এটাৰ কাৰণে বুজাব নোৱাৰা হাবিয়াস অনুভৱ কৰে, আপুনি আনকি ৰাধাৰ প্ৰেমকো চেৰ পেলোৱা প্ৰেমৰ প্ৰতিধ্বনি অনুভৱ কৰে।

এইটো আমাৰ উত্তৰাধিকাৰপ্ৰাপ্তি, আমাৰ জন্মস্বত্ব। এইটো আমাৰ কাৰণে উপলব্ধ, কাৰণ এটি সন্তান ১৮৭৩ চনৰ বসন্ত পঞ্চমীত জন্ম হৈছিল যিজন আমাৰ গুৰু, আৰু এইকাৰণে যে সৃষ্টিৰ আৰম্ভণিৰে পৰা শিষ্যই গুৰুক অতুলনীয় প্ৰেমেৰে ভাল পাইছিল।

বসন্তৰ ফুল ফুলে, পৃথিৱীখনে নিজেই নতুনত্ব আনে, আৰু যিসকলে অনুশীলন কৰে, প্ৰাণাহুতিয়ে ইয়াৰ কাৰ্য কৰি যোৱাৰ কাৰণে দিনৰ পিছত দিন ধৰি একেই নতুনত্ব নীৰৱে ঘটি থাকে।

এই বসন্ত পঞ্চমীত মই বিশেষ ব্যক্তিত্বধাৰী পূজ্য শ্ৰী লালাজী মহাৰাজৰ চৰণত মূৰ দোঁৱাইছোঁ। আৰু মই পূজ্য বাবুজী মহাৰাজৰ চৰণত মূৰ দোঁৱাইছোঁ যাৰ প্ৰেমে এনে দ্বাৰ উন্মুক্ত কৰিছিল যিখন কেতিয়াও বন্ধ কৰিব নোৱাৰি।

আমি এই পৈতৃক সম্পত্তিৰ উত্তৰাধীকাৰী। কি এটা বংশক্ৰম! আমাৰ হাতত কি যে এটা সম্পদ ৰখা হৈছে! প্ৰশ্নটো এতিয়া আমাৰ ওপৰত আহিছে। এই উত্তৰাধিকাৰৰ সম্পদেৰে আমি কি কৰোঁ?

পৰিস্থিতিটোৰ সন্মুখীন হওঁ আহক। আমাৰ আধ্যাত্মিক পিতৃসকলক সুখী আৰু অধিক আনন্দিত কৰোঁ আহক। তেওঁলোকক দিব্য লোকৰ পৰা দৃষ্টি দিবলৈ দিওঁ আহক; আৰু আমাক এক হৈ থকা দেখি, পৰস্পৰৰ মাজত প্ৰেম আৰু শ্ৰদ্ধা দেখি, আৰু তেওঁলোক যি কাৰণে এই পৃথিৱীত বাস কৰিছিল সেই কাৰণতে আমাক বাস কৰা দেখি তেওঁলোকক আনন্দত নৃত্যৰত হ'বলৈ দিওঁ আহক।



**পৰিস্থিতিটোৰ সন্মুখীন হওঁ আহক। আমাৰ আধ্যাত্মিক পিতৃসকলক সুখী আৰু অধিক আনন্দিত কৰোঁ আহক। তেওঁলোকক দিব্য লোকৰ পৰা দৃষ্টি দিবলৈ দিওঁ আহক, আৰু আমাক এক হৈ থকা দেখি, পৰস্পৰৰ মাজত প্ৰেম আৰু শ্ৰদ্ধা দেখি, আৰু তেওঁলোক যি কাৰণে এই পৃথিৱীত বাস কৰিছিল সেই কাৰণতে আমাক বাস কৰা দেখি তেওঁলোকক আনন্দত নৃত্যৰত হ'বলৈ দিওঁ আহক।**

এই পৈতৃক বংশক্ৰম সংৰক্ষণ আৰু সমৃদ্ধ কৰাত এইটো আৱশ্যক যে আমি সঠিক আচৰণ কৰোঁ, চিন্তা কৰোঁ আৰু তেওঁলোকৰ মানদণ্ডৰ সৈতে সামঞ্জস্য ৰাখি কাৰ্য কৰোঁ। এই পথলৈ অহা প্ৰত্যেক পৰিয়ালত সংহতি ৰক্ষা হওক। প্ৰত্যাশী সমৱেত হোৱা প্ৰত্যেক কেন্দ্ৰত সংহতি অটুট থাকক। আধ্যাত্মিক সমুদায়ত কেতিয়াবা শিপাবলৈ ধৰা সৰু সুৰা বিভাজন এই বসন্তৰ সূৰ্যৰ উত্তাপত যেন বিগলিত হয়, আমি যেন মনত ৰাখোঁ যে আমি একেই বংশক্ৰমৰ সন্তান, সকলোৱে একেই প্ৰাণাহুতি গ্ৰহণ কৰিছোঁ, আৰু সকলো একেই লক্ষ্যস্থানলৈ খোজ দিছোঁ।

যদি লালাজীয়ে তেওঁৰ শ্ৰেষ্ঠতম উদ্ভাৱন তেওঁৰ শিষ্যই চমৎকাৰ উন্নতি কৰা কাৰণে উপহাৰ ৰূপে দিব পাৰিছিল, আৰু যদি বাবুজীয়ে আনকি ৰাধাকো চেৰ পেলোৱা প্ৰেমেৰে প্ৰেম দিব পাৰিছিল, তেনেহ'লে আমি নিশ্চয়কৈ আমাৰ কাষত থকা ভাতৃ ভগ্নী সকলৰ প্ৰতি বন্ধুত্বৰ হাত আগবঢ়াব পাৰোঁ, সৰু সুৰা ওজৰ আপত্তি এৰিব পাৰোঁ আৰু আমাক যি দিয়া হৈছে তাৰ উপযুক্ত পাত্ৰ হৈ পৰিব পাৰোঁ।

সেইকাৰণে, আমাৰ গুৰুসকলৰ প্ৰেমে আপোনাৰ হৃদয় স্পৰ্শ কৰক, প্ৰাণাহুতিয়ে আপোনাৰ অস্তিত্ব পৰিৱৰ্তন কৰক, আৰু আপোনাৰ নিজৰ পথত আপুনি তেওঁলোকৰ ঐতিহ্য বহনকাৰী হৈ পৰাৰ জীৱন্ত প্ৰমাণ হৈ পৰক।

প্ৰেম আৰু প্ৰাৰ্থনাৰে,
**কমলেশ**

বসন্ত পঞ্চমী, ২৩ জানুৱাৰী, ২০২৬



## দাজীৰ সৈতে মাষ্টাৰক্লাচসমূহ

আপুনি যি কোনো সময়তে হাৰ্টফুলনেছৰ ধ্যান আৰম্ভ কৰিব পাৰে। দাজীৰ সৈতে তিনিটা খণ্ডৰ এলানি মাষ্টাৰক্লাচত অংশগ্ৰহণ কৰক, য'ত হাৰ্টফুলনেছ ধ্যানৰ মাজেদি পাব পৰা লাভৰ কথা কোৱা হৈছে। লগতে হাৰ্টফুলনেছৰ বিশ্ৰাম, ধ্যান, নিৰ্মলীকৰণ আৰু প্ৰাৰ্থনা কেনেকৈ দৈনন্দিন জীৱনত অন্তৰ্ভুক্ত কৰিব পাৰি বৰ্ণনা কৰা হৈছে। এই সকলোবোৰ মাষ্টৰক্লাচ বিনামূলীয়া।

https://heartfulness.org/global/masterclass/

## হাৰ্টফুলনেছৰ অনুশীলনসমূহ

হাৰ্টফুলনেছৰ অনুশীলন উদ্ঘাটন কৰক - বিশ্ৰাম, ধ্যান, নিৰ্মলীকৰণ আৰু প্ৰাৰ্থনা শিকক।

https://heartfulness.org/in-en/heartfulness-practices/

heartfulness

purity weaves destiny

